RNI REGN. No. : ASSASS/
epaper.asomaditya.
Portal : www.asomadit
e-mail : asomaditya@g

টোৰ বাণী

না ধৰ্মৰ মূল কথা
সইটো হৈছে মানুহক
ৰূপে গঢ়ি তোলা।
ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ

# অসম আদিত্য

স্বাস্থ্য

দৈনিক খাদ্য তালিকাত
চাটনি সংযোগ কৰক। ই ডা
নিয়ন্ত্ৰণ কৰাত সহায় কৰে
ধনীয়া ব্যৱহাৰ কৰিলে ইন
স্তৰ বজাই ৰাখে।

ছৰ ■ সংখ্যা ৯২ ■ ২২ চ'ত, ১৯৪৬ শক ■ শুকুৰবাৰ, ৫ এপ্ৰিল, ২০২৪ ■ Asom Aditya, Dibrugarh, Friday, April 5, 2024 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰকাশিত ■ ডিব্ৰুগ



## ৰাষ্ট্ৰসংঘৰ উত্তৰ-পূৱ ভাৰতৰ সম্পদ কেন্দ্ৰৰ শক্তিশালী পদক্ষেপ

# কানৈ মহাবিদ্যালয়ক ‘চেণ্টাৰ অৱ এক্সেলেঞ্চ’ ঘোষণা

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৪ এপ্ৰিল ঃ** পৃথিৱীৰ সকলো দেশৰে উমৈহতীয়া শক্তিশালী সংগঠন ৰাষ্ট্ৰসংঘৰ স্বীকৃতিপ্ৰাপ্ত উত্তৰ-পূবৰ সম্পদ কেন্দ্ৰৰ উদ্যোগত নাকৰ দ্বাৰা ‘এ’ গ্ৰেড প্ৰাপ্ত, ৭৮ বছৰ গৰকা অসমৰ ঐতিহ্যপূৰ্ণ মহাবিদ্যালয় ডিএইচএছ কানৈ মহাবিদ্যালয়ক ‘চেণ্টাৰ অৱ এক্সেলেঞ্চ’ হিচাপে ঘোষণা কৰাৰ পদক্ষেপ গ্ৰহণ কৰিছে। ৰাষ্ট্ৰসংঘই গ্ৰহণ কৰা পদক্ষেপসমূহক কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত মহাবিদ্যালয়খনে পালন কৰা গুৰুত্বপূৰ্ণ ভূমিকাৰ প্ৰতি লক্ষ্য ৰাখি মহাবিদ্যালয়খনক এনে সন্মান দিয়া হৈছে বুলি জানিব পৰা গৈছে। কানৈ মহাবিদ্যালয়ত ৬ এপ্ৰিলত অনুষ্ঠিত হ'ব লগা এখন গুৰুত্বপূৰ্ণ সভাত ৰাষ্ট্ৰসংঘৰ অনুমোদন প্ৰাপ্ত ইউনেস্ক' এছ'চিয়েশ্যনৰ সম্পাদক প্ৰধান, ৰাষ্ট্ৰসংঘৰ উত্তৰ-পূবৰ সম্পদ কেন্দ্ৰৰ কাৰ্যবাহী সঞ্চালক, ৰাষ্ট্ৰসংঘৰ অধ্যয়ন প্ৰতিষ্ঠানৰ আঞ্চলিক সম্পাদক, ইউনাইটেড নেশ্যনচ এছ'চিয়েশ্যনৰ অসমৰ সম্পাদক ড০ অশ্বিনী শৰ্মাই মহাবিদ্যালয়খনক চেণ্টাৰ অৱ এক্সেলেঞ্চৰ প্ৰমাণ-পত্ৰ প্ৰদান কৰিব। উল্লেখ্য যে ২০১১ চনৰ ২৪ নৱেম্বৰত ভাৰত আৰু ভূটানৰ দায়িত্বত থকা ৰাষ্ট্ৰসংঘৰ তথ্য কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত সঞ্চালক ৰাজীৱ চন্দ্ৰনে গুৱাহাটীৰ সম্পদ কেন্দ্ৰটো ২০১২ চনৰ জানুৱাৰী মাহৰ পৰা কাৰ্যকৰী হ'ব বুলি গুৱাহাটীলৈ আহি ঘোষণা কৰি যোৱাৰ পিছত ২০১২ চনৰ ৩ জানুৱাৰীত তদানীন্তন মুখ্যমন্ত্ৰী তৰুণ গগৈয়ে ৰাষ্ট্ৰসংঘৰ অধীনৰ উত্তৰ-পূবৰ এই সম্পদ কেন্দ্ৰটো গুৱাহাটীত মুকলি কৰিছিল। পৰৱৰ্তী সময়ত অৰ্থাৎ ২০১৩ চনত তদানীন্তন শিক্ষামন্ত্ৰী তথা বৰ্তমানৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ইনষ্টিটিউট অৱ ইউ এন ষ্টাডিছ অসম শাখা মুকলি কৰিছিল। মেঘালয়ৰ মুখ্যমন্ত্ৰী মুকুল চাংমায়ে ২০১৩ চনত ইউনেস্ক' এছ'চিয়েশ্যনৰ গুৱাহাটী শাখাটো পৰিদৰ্শন কৰি ভূয়সী প্ৰশংসা কৰিছিল। বৰ্তমানৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোনোৱালে ২০১৬ চনত গুৱাহাটী ইউনেস্ক' এছ'চিয়েশ্যনৰ কাৰ্যালয় ভ্ৰমণ কৰি কাৰ্যালয়টোৱে ৰাষ্ট্ৰসংঘৰ লক্ষ্য, উদ্দেশ্যৰ ক্ষেত্ৰত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰা কাৰ্যক প্ৰশংসা কৰিছিল। ৰাষ্ট্ৰসংঘৰ উত্তৰ-পূবৰ এই সম্পদ কেন্দ্ৰটোৱে কানৈ মহাবিদ্যালয়ক ‘চেণ্টাৰ অৱ এক্সেলেঞ্চ’ ঘোষণা কৰাৰ ফলত মহাবিদ্যালয়খনে ‘গ্ৰন্থাগাৰ সম্পদ কেন্দ্ৰ’ প্ৰতিষ্ঠা, মহাবিদ্যালয়খনৰ আজীৱন সদস্যৰ পদ গ্ৰহণ কৰাসকলে ৰাষ্ট্ৰসংঘ, ইউনেস্ক'কে ধৰি পৃথিৱীৰ সকলো দেশৰে উমৈহতীয়া প্ৰচেষ্টাত গঢ়ি উঠা সংগঠনসমূহে বিশ্বৰ বিভিন্ন ঠাইত অনুষ্ঠিত কৰা আলোচনাচক্ৰ, কৰ্মশালা, বক্তৃতা ইত্যাদিত অংশ লোৱাত সহজ হৈ পৰিব। ইয়াৰোপৰি শিক্ষাৰ্থীসকলে ৰাষ্ট্ৰসংঘৰ সম্পদকেন্দ্ৰটোৰ অধীনত অনলাইন পাঠ্যক্ৰম গ্ৰহণ কৰাত সুযোগ লাভ কৰিব। ৰাষ্ট্ৰসংঘ, ইউনেস্ক' আদি সংগঠনসমূহে সময়ে সময়ে প্ৰদান কৰা বিভিন্ন সা-সুবিধা, আলোচনী আদিৰো সুবিধা পাব মহাবিদ্যালয়খনৰ অধ্যাপক-কৰ্মচাৰী, শিক্ষাৰ্থীসকলে। ঐতিহ্যপূৰ্ণ মহাবিদ্যালয়খনক ‘চেণ্টাৰ অৱ এক্সেলেঞ্চ’ ঘোষণাৰ বাবে নিৰ্বাচন কৰাত মহাবিদ্যালয়খনৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই ৰাষ্ট্ৰসংঘ আৰু ইউনেস্ক'ৰ বহুকেইটা দায়িত্বত থকা ড০ অশ্বিনী শৰ্মাক ধন্যবাদ জ্ঞাপন কৰে।

আইপিএলৰ